# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 11-04-2024
**Time :** 0705 hrs

## *Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, প্ৰতিযোগিতামূলক দৰত  বিশ্বমানৰ সামগ্ৰী নিৰ্মাণৰ ক্ষেত্ৰত ভাৰত বৰ্তমান বিশ্বৰ ভিতৰতে সবাতোকৈ পছন্দৰ স্থান হিচাপে বিবেচিত হৈছে।

২। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি উত্তৰাখণ্ডৰ হৃষিকেশ আৰু ৰাজস্থানৰ কাৰাওলিত নিৰ্বাচনী সমাৰেশত ভাষণ দিব।

৩। কংগ্ৰেছৰ সাধাৰণ সম্পাদক জয়ৰাম ৰমেশে কৈছে যে, দেশৰ বৈচিত্ৰ্যতাক সুৰক্ষা প্ৰদান কৰাৰ লগতে গণতন্ত্ৰ ৰক্ষা কৰাটো অত্যন্ত গুৰুত্বপূৰ্ণ।

৪। সমগ্ৰ বিশ্বৰ লগতে ভাৰততো আজি পৱিত্ৰ ঈদ-উল-ফিটৰ উলহ-মালহেৰে পালন কৰা হৈছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কালি নিশা জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত গুজৰাট টাইটানছে  ৰাজস্থান ৰয়েলছক ৩ উইকেটত পৰাজিত কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, প্ৰতিযোগিতামূলক দৰত  বিশ্বমানৰ সামগ্ৰী নিৰ্মাণৰ ক্ষেত্ৰত ভাৰত বৰ্তমান বিশ্বৰ ভিতৰতে সবাতোকৈ পছণ্ডৰ স্থান হিচাপে বিবেচিত হৈছে। আমেৰিকাৰ এখন আলোচনীৰ সৈতে হোৱা এটা সাক্ষাৎকাৰত শ্ৰীমোদীয়ে কয় যে, যিসকলে নিৰ্ভৰযোগ্য আৰু স্থিতিস্থাপক যোগান শৃংখলা স্থাপন কৰিব বিচাৰে তেওঁলোকৰ বাবে বৰ্তমান ভাৰত হৈছে উপযুক্ত স্থান। তেওঁ কয় যে, ভাৰতে একাদশ সৰ্ববৃহৎ অৰ্থনীতিৰ পৰা পঞ্চম সৰ্ববৃহৎ অৰ্থনীতিলৈ উন্নীত হোৱাটো সকলোৱে প্ৰত্যক্ষ কৰিছে। বৰ্তমান দেশৰ লক্ষ্য হৈছে শীঘ্ৰেই তৃতীয় সৰ্ববৃহৎ অৰ্থনীতি হিচাপে উন্নীত হোৱা। শ্ৰীমোদীয়ে লগতে কয়, মহাকাশ কৃত্ৰিম বুদ্ধিমত্তা, সেউজ শক্তি, অৰ্ধপৰিবাহী তথা প্ৰযুক্তিৰ অন্যান্য ক্ষেত্ৰত ভাৰতে উন্নত প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে।

প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে, বিগত ১০ বছৰ ধৰি ভাৰতে বিশ্বৰ সৰ্ববৃহৎ দৰিদ্ৰতা দূৰীকৰণ অভিযান চলাই আছে আৰু ২৫ কোটি লোকক দৰিদ্ৰতাৰ পৰা মুক্ত কৰিছে। তেওঁ কয় যে, আঁচনি তথা উদ্যমসমূহৰ ক্ষেত্ৰত ভাৰতত প্ৰথমবাৰৰ বাবে চৰকাৰে জনসাধাৰণৰ অন্তৰ্ভুক্তিৰ অনন্য পদক্ষেপ গ্ৰহণ কৰিছে। তেওঁ কয় যে, এই আঁচনি তথা উদ্যমসমূহ কোনো এটা ভৌগোলিক ক্ষেত্ৰ অথবা কোনো বিশেষ সম্প্ৰদায়ৰ ক্ষেত্ৰতেই সীমাবদ্ধ নহয়। এইসমূহ এনে ধৰণে তৈয়াৰ কৰা হৈছে যাতে কোনো ধৰণৰ বৈষম্য অবিহনে ইয়াৰ সুফল সকলোৱে লাভ কৰিব পাৰে। প্ৰধানমন্ত্ৰী

মোদীয়ে কয় যে, তেওঁৰ চৰকাৰে সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস, সবকা প্ৰয়াস এই মন্ত্ৰেৰে কাম কৰি আছে।

০০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি উত্তৰাখণ্ডৰ হৃষিকেশত এখন নিৰ্বাচনী সমাৰেশত ভাষণ দিব। এইখিনিতে উল্লেখ কৰিব পাৰি যে, শ্ৰীমোদীয়ে ৰুদ্ৰপুৰত তেওঁৰ প্ৰথমটো নিৰ্বাচনী সমাৰেশত ভাষণ দিছিল। উত্তৰাখণ্ডৰ ৫ খন লোকসভা আসনৰ বাবে প্ৰথম পৰ্যায়ত অহা ১৯ এপ্ৰিলত নিৰ্বাচন অনুষ্ঠিত হ'ব।

০০০০০

ৰাজস্থানত লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান তুংগত উঠিছে। প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে আজি কাৰাওলিত **বিজয় শংখনাদ সভা** নামৰ এটা নিৰ্বাচনী সমাৰেশত ভাষণ দিব। ইপিনে, কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰাহুল গান্ধীয়েও আজি ৰাজ্যখনৰ দুখন নিৰ্বাচনী জনসভাত ভাষণ দিব।

০০০০০

কংগ্ৰেছৰ সাধাৰণ সম্পাদক জয়ৰাম ৰমেশে কৈছে যে, দেশৰ বৈচিত্ৰ্যতাক সুৰক্ষা প্ৰদান কৰাৰ লগতে গণতন্ত্ৰ ৰক্ষা কৰাটো অত্যন্ত গুৰুত্বপূৰ্ণ। কোহিমাত কালি এখন সংবাদ মেলত ৰমেশে কয় ভাৰতৰ বৈচিত্ৰতা দুৰ্বল কৰাৰ উদ্দেশ্যে আৰ এছ্ এছ্ আৰু বিজেপিয়ে এখন ৰাষ্ট্ৰ-- এটা নিৰ্বাচন, এটা কৰ ব্যৱস্থা, এটা দল তথা এগৰাকী নেতাৰ কাৰ্যসূচী গ্ৰহণ কৰিছে। তেওঁ কয় যে, বিজেপি নেতৃত্বাধীন চৰকাৰখনে সংবিধানৰ ৩৭০ নম্বৰ অনুচ্ছেদ নোহোৱা কৰিছে। একেখন চৰকাৰেই ৩৭১ নম্বৰ অনুচ্ছেদ নোহোৱা কৰিব বুলিও তেওঁ চিন্তা প্ৰকাশ কৰে।

সাধাৰণ সম্পাদকগৰাকীয়ে নাগালেণ্ডৰ শাসনাধিষ্ঠিত চৰকাৰখনকো সমালোচনা কৰে যিখন চৰকাৰে বিৰোধী অবিহনে কাম-কাজসমূহ চলাই আছে। তেওঁ কয় যে, এখন গণতন্ত্ৰত বিৰোধীয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। শ্ৰীৰমেশে লগতে জনসাধাৰণৰ বাবে কংগ্ৰেছে নিৰ্ধাৰণ কৰা ৫টা ন্যায়ৰ প্ৰতিশ্ৰুতি সন্দৰ্ভতো আলোকপাত কৰে। তেওঁ কয় যে, গণতন্ত্ৰ সংৰক্ষণৰ বাবে ২০২৪ৰ লোকসভা নিৰ্বাচন অত্যন্ত গুৰুত্বপূৰ্ণ আৰু সেয়েহে ৰাষ্ট্ৰীয় পৰ্যায়ত কংগ্ৰেছৰ নেতত্বৰ প্ৰতি আস্থা আৰু সমৰ্থন আগবঢ়াবলৈ তেওঁ জনসাধাৰণক আহ্বান জনায়। তেওঁ লগতে গণতন্ত্ৰ সুৰক্ষিত কৰাৰ উদ্দেশ্যে দলৰ প্ৰয়াসক সহায় কৰাৰ বাবে ৰাজ্যখনত কংগ্ৰেছৰ প্ৰাৰ্থীক সমৰ্থন আগবঢ়াবলৈও সকলোৰে প্ৰতি আহ্বান জনায়।

০০০০০

অসন্ন লোকসভা নিৰ্বাচনৰ বাবে কংগ্ৰেছে দুগৰাকী প্ৰাৰ্থীৰ আন এখন তালিকা প্ৰকাশ কৰিছে। ডং কল্যাণ কালেই জালনাৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰাৰ বিপৰীতে ডং শোভা দীনেশ বাচাভে মহাৰাষ্ট্ৰৰ ধুলেৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিব।

০০০০০

প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে কৈছে যে, এইবাৰ ৰাম নৱমীত ভগৱান ৰামে তম্বুৰ পৰা নহয়, বৰং তেওঁৰ গৃহৰ পৰা দৰ্শন দিব। বিদৰ্ভত ৰামটেক আৰু নাগপুৰ লোকসভা সমষ্টিৰ মহাযুটিৰ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ উদ্দেশ্যে কালি ৰামটেকত এখন জনসভাত ভাষণ দি শ্ৰীমোদীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে, ৫০০ বছৰৰ পিছত ভগৱান ৰাম অযোধ্যাৰ নিজৰ গৃহলৈ উভতি আহিছে আৰু এয়া হৈছে ৰামটেক তথা সমগ্ৰ দেশৰ বাবে অত্যন্ত আনন্দৰ সময়। ভগৱান ৰামে তেওঁৰ বনবাসত ৰামটেকত কটোৱা সময়খিনিৰ গুৰুত্ব

সন্দৰ্ভতো আলোকপাত কৰে। শ্ৰীমোদীয়ে কয় যে, আই এন ডি আই মিত্ৰজোঁটে অযোধ্যাৰ ঐতিহাসিক প্ৰাণ প্ৰতিষ্ঠা কাৰ্যসূচী বৰ্জন কৰিছিল আৰু ইয়াৰ বিপৰীতে তেওঁলোকে সনাতন ধৰ্ম ধবংস কৰাৰ ভাবুকি দিয়াসকলৰ সৈতে মিলিত হৈছিল। শ্ৰীমোদীয়ে লগতে এইটোও স্পষ্ট কৰি দিয়ে যে, ৩৭০ নম্বৰ অনুচ্ছেদ বাতিল কৰি এন ডি এ চৰকাৰে সঁচা অৰ্থত এখন ৰাষ্ট্ৰ, এখন সংবিধান ৰূপায়ণ কৰিছে। তেওঁ লগতে সমাজত অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ লোকসকলৰ উন্নয়নৰ বাবে কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা পদক্ষেপ সন্দৰ্ভতো আলোকপাত কৰে।

০০০০০

আজি পবিত্ৰ ঈদ-উল ফিটৰ। এই উপলক্ষে ইছলাম ধৰ্মাৱলম্বী লোকসকলে আজি পুৱাই বিভিন্ন ঈদগাহ আৰু মছজিদত ঈদৰ নামাজ পঢ়িব। দিল্লীৰ জামা মছজিদ, ফতেহপুৰী মছজিদ আৰু শ্বাহী ঈদগাহত ঈদৰ বিশেষ সমূহীয়া নামাজৰ আয়োজন কৰা হয়।

ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে ঈদ-উল-ফিতৰ উপলক্ষে দেশবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কয় যে এই উৎসৱে প্ৰেম, ভাতৃত্ববোধ আৰু একতাৰ বাৰ্তা প্ৰদান কৰে। তেওঁ কয়, পবিত্ৰ ঈদ হৈছে দৰিদ্ৰ আৰু বঞ্চিত লোকসকলক সহায় কৰাৰ লগতে তেওঁলোকৰ সৈতে আনন্দ উপভোগ কৰাৰ সুন্দৰ সময়। এই উৎসৱে সকলোকে শান্তিপূৰ্ণ জীৱন যাপন কৰিবলৈ আৰু সমাজৰ সমৃদ্ধিৰ বাবে কাম কৰিবলৈ প্ৰেৰণা যোগায় বুলিও ৰাষ্ট্ৰপতি গৰাকীয়ে তেঁওৰ বাৰ্তাটোত উল্লেখ কৰে।

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখৰে কয় যে ঈদ-উল ফিতৰে আমাক উদাৰতা আৰু একতাৰ মূল্যবোধৰ কথা মনত পেলাই দিয়াৰ লগতে আমাৰ দেশৰ বৈচিত্ৰময় নীতি-নিয়মক অধিক সুদৃঢ় কৰে। তেওঁ ঈদে সকলোৰে জীৱনলৈ আনন্দ আৰু পূৰ্ণতা কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰে।

এটা বাৰ্তাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে পবিত্ৰ ঈদ-উল ফিটৰে সমাজলৈ শান্তি, একতা আৰু গভীৰ মমতাবোধ কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কালি নিশা জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত গুজৰাট টাইটানছে ৰাজস্থান ৰয়েলছক ৩ উইকেটত পৰাজিত কৰে। ১৯৭ ৰানৰ লক্ষ্যৰে খেলিবলৈ লোৱা গুজৰাট টাইটানছে খেলখনৰ অন্তিমটো বলত ৰছিদ খানৰ বাউণ্ডেৰীৰ সহায়ত ৭ উইকেটৰ বিনিময়ত ১৯৯ ৰান কৰি বিজয় সাব্যস্ত কৰে। দলটোৰ হৈ অধিনায়ক শুভমন গিলে ৪৪টা বলত ৭২ ৰানৰ বৰঙনি আগবঢ়ায়।

ইয়াৰ পূৰ্বে ৰাজস্থান ৰয়েলছে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৩ উইকেটৰ বিনিময়ত ১৯৬ ৰান কৰে। ৰাজস্থানৰ হৈ ৰিয়ান পৰাগে ৪৮টা বলত ৭৬ ৰান কৰাৰ বিপৰীতে অধিনায়ক সঞ্জু ছেমছনে ৩৮টা বলত ৬৮ ৰান কৰি অপৰাজিত হৈ ৰয়। গুজৰাট টাইটানছৰ হৈ ৰছিদ খান, উমেশ যাদৱ আৰু মোহিত শৰ্মাই এটাকৈ উইকেট দখল কৰে। ৰছিদ খানৰ প্লেয়াৰ অব দ্যা মেছ হিচাপে ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি মুম্বাই ৱাংখেড়ে ষ্টেডিয়ামত ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালুৰু মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

চীনত অনুষ্ঠিত এছিয়া চেম্পিয়নশ্বিপ বেডমিন্টন প্ৰতিযোগিতাৰ মহিলাৰ একক প্ৰি-কোৱাৰ্টাৰৰ এখন খেলত আজি ভাৰতৰ দুবাৰৰ অলিম্পিক বিজয়ী পি ভি সিন্ধু চীনৰ ষষ্ঠ বাছনিৰ  হান ইউৰ বিৰুদ্ধে মুখামুখি হ'ব। সিন্ধুৱে কালি অনুষ্ঠিত হোৱা এখন খেলত বিশ্বৰ ৩৩ নম্বৰ স্থানৰ খেলুৱৈ মালয়েছিয়াৰ গহ জিন ৱেইক ১৮-২১, ২১-১৪, ২১-১৯ ফলাফলত পৰাস্ত কৰিছিল।

ইফালে পুৰুষৰ একক শাখাত আজি ভাৰতৰ এইচ এছ প্ৰণয়ে টাইৱানৰ লিন চুন-য়িৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

প্ৰণয়ে প্ৰথম ৰাউণ্ডত চীনৰ লু গুৱাংজুক ১৭-২১, ২৩-২১, ২৩-২১ ফলাফলত পৰাস্ত কৰি দ্বিতীয় ৰাউণ্ডত প্ৰবেশ কৰে। আনহাতে  মহিলাৰ দ্বৈত শাখাত অশ্বিনী পোনাপ্পা আৰু তানিছা কাষ্ট্ৰোৰ যুটিটোও প্ৰি-কোৱাৰ্টাৰত স্থান লাভ কৰিছে। তেওঁলোকে আজি  জাপানৰ  নামি মাটছুয়ামা আৰু চিহাৰু শ্বিডাৰ বিৰুদ্ধে খেলিব।

ooooo

**সমাপ্ত**